# 2019

## ASSAMESE

( Elective )

Paper : 5.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন কি ?

(খ) শুকে কাৰ কথা ক'বলৈ এৰি নন্দোৎসৱৰ বৰ্ণনা দাঙি ধৰিছে ?

(গ) শ্ৰীধৰ কন্দলি কোন সময়ৰ কবি ?

(ঘ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটোৰ আধাৰগ্ৰন্থ কি ?

(ঙ) ৰাম সৰস্বতী ৰচিত এখন গ্ৰন্থৰ নাম লিখা।

(চ) ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' কাব্যগ্ৰন্থখন কোন চনত প্ৰকাশ হৈছিল ?

(ছ) কোনখন কাব্যগ্ৰন্থৰ বাবে যতীন্দ্ৰনাথ দুৱৰাই সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(জ) নলিনীবালা দেৱীয়ে কোন চনত 'অসম সাহিত্য সভা'ৰ সভাপতিৰ আসন অলঙ্কৃত কৰিছিল?

(ঝ) 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটোত কবিগৰাকীৰ মেজৰ ওপৰত কোনগৰাকী চিত্ৰকৰৰ ছবি এখন থকা বুলি কৈছে?

(ঞ) ড. নিৰ্মলপ্ৰভা বৰদলৈ ৰচিত এখন কবিতা পুথিৰ নাম লিখা।

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) কামৰূপৰ দুগৰাকী চৰ্যাকাৰৰ নাম লিখা।

(খ) ৰংপুৰ নগৰৰ বৰ্ণনা কোনে, কাৰ আগত দাঙি ধৰিছে?

(গ) ৰঘুনাথ চৌধাৰীয়ে সম্পাদনা কৰা দুখন আলোচনীৰ নাম লিখা।

(ঘ) 'দ্ৰৌপদী' কবিতাটিত কিহে কবিৰ মনৰ মজিয়াত আলপনা আঁকে বুলি উল্লেখ কৰিছে?

(ঙ) 'পলস' কবিতাটিত উল্লেখ থকা দুখন নদীৰ নাম লিখা।





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) মাতৃ যশোদাই কৃষ্ণক কাণখোৱাৰ ভয় দেখুৱাই টোপনি নিয়াবলৈ চেষ্টা কৰাত কৃষ্ণই মাকক কি বুলি কৈছে, নিজৰ ভাষাত লিখা।

(খ) ৰংপুৰ নগৰখন দেখিবলৈ কেনেকুৱা বুলি কবিয়ে উল্লেখ কৰিছে, বৰ্ণনা কৰা।

(গ) সোণোৱালী দেশলৈ যাত্ৰা কৰাৰ মুহূৰ্তত কবি যতীন্দ্ৰনাথ দুৱৰাৰ সাৰথি হ'বলৈ কোন কোন, কেনেদৰে আগবাঢ়ি আহিছে, উল্লেখ কৰা।

(ঘ) 'পৰমতৃষ্ণা' কবিতাটোত কবিয়ে কি তৃষ্ণাৰ কথা ক'ব খুজিছে, আলোচনা কৰা।

(ঙ) "মই ব্যতিক্ৰম?
নহয়, নহয়!
মই, মই যে মাথোঁ চিৰন্তন নাৰী
যুগমীয়া ৰহস্যৰে ভৰা বিচিত্ৰ বৰ্ণালীৰ
এক সহজ প্ৰকাশ।"

কোনে নিজকে আৰু কিয় চিৰন্তন নাৰী বুলি কৈছে, বুজাই লিখা।

৪। (ক) লুইপাদৰ চমু পৰিচয় দাঙি ধৰি ১নং চৰ্যাপদটোৰ সাহিত্যিক সৌন্দৰ্য বিশ্লেষণ কৰা। ৩+৭=১০

*অথবা*

(খ) শংকৰদেৱৰ 'নন্দোৎসৱ' কবিতাটোত উল্লেখ থকা মতে পুত্ৰ ওপজাৰ পাছত নন্দই কি কি কাৰ্য সম্পাদন কৰিছে, বিতংকৈ লিখা। ১০

৫। (ক) সখীয়েক উষাই সপোনত দেখা স্বামীক চিনাক্ত কৰিবলৈ চিত্ৰলেখাই কাৰ কাৰ ছবি অঙ্কন কৰিছে, বৰ্ণনা কৰা। ১০

*অথবা*

(খ) 'ধৃতৰাষ্ট্ৰ-বিদুৰ সংবাদ' কবিতাংশত ধৃতৰাষ্ট্ৰৰ পুত্ৰ-প্ৰেম আৰু বিদুৰৰ পঞ্চ-পাণ্ডৱৰ প্ৰতি থকা প্ৰেম কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ৫+৫=১০

৬। (ক) ৰোমাণ্টিক কবিতা হিচাপে 'কেতেকী' কবিতাটো বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' কবিতাটোৰ কাব্যিক সৌন্দৰ্য আলোচনা কৰা।

৭। (ক) 'পলস' কবিতাটোৰ মাজেৰে কবিৰ ইতিহাস চেতনা কেনেদৰে প্ৰকাশ পাইছে, ফঁহিয়াই দেখুওৱা। ১০

*অথবা*

(খ) অসমীয়া সাম্প্ৰতিক কবিতা সম্পৰ্কে এটা নিবন্ধ যুগুত কৰা।

★★★